# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আজি নলবাৰীত আয়োজিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে সকলো স্তৰৰ জনসাধাৰণৰ উন্নয়নৰ লক্ষ্যৰে আঁচনি গ্ৰহণ কৰিছে আৰু চৰকাৰখনে সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে আঁচনিসমূহৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰি আহিছে। এন ডি এ চৰকাৰে কোনোধৰণৰ বৈষম্য সৃষ্টি নকৰাকৈ দৰিদ্ৰ লোকসকলৰ বাবে তিনি কোটি গৃহ নিৰ্মাণ কৰিছে আৰু পুনৰ এন ডি এ শাসনলৈ আহিলে পৰৱৰ্তী ৫ টা বছৰত দৰিদ্ৰ আৰু বঞ্চিতসকলক অবিৰতভাৱে খাদ্য সামগ্ৰী যোগান ধৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিজেপিৰ সংকল্প পত্ৰত ৭০ বছৰৰ ঊৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলক আয়ুস্মান ভাৰত যোজনাৰে সামৰি লোৱা হ'ব বুলি ঘোষণা কৰা হৈছে। ইয়াৰ ফলত তেওঁলোকে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া স্বাস্থ্য বীমা লাভ কৰিব। শ্ৰী মোদীয়ে কংগ্ৰেছ দলে নিজৰ শাসনকালত অসমৰ লগতে উত্তৰ-পূবৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা নাছিল বুলি অভিযোগ তোলে। বিগত ১০ বছৰত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ দ্ৰুতগতিৰে বিকাশৰ পথত অগ্ৰসৰ হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে অসম জৈৱ বৈচিত্ৰ্যৰ দিশৰ পৰা অতিকে চহকী আৰু ৰাজ্যখনৰ এই সমৃদ্ধ ক্ষেত্ৰসমূহৰ বিষয়ে বিশ্ববাসীক অৱগত কৰাবলৈ তেওঁৰ চৰকাৰ বদ্ধপৰিকৰ। এন ডি এ চৰকাৰে নিজৰ শাসনকালত গ্ৰহণ কৰা কেইবাটাও ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তিনি তালাক ব্যৱস্থাৰ অৱসানৰ দ্বাৰা দলটোৱে মুছলমান মহিলাসকলক সকাহ দিছে। তদুপৰি কৃষি সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰি কৃষকক সকাহ দিয়াৰ লগতে ৩ কোটি মহিলাক লাখপতি বাইদেউৰ মৰ্যাদা দিয়াৰ প্ৰতিশ্ৰুতি দিছে বুলিও তেওঁ কয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে আজি বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত নলবাৰী সমষ্টিৰ এন ডি এ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ সমৰ্থনত প্ৰচাৰ চলায়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ উপৰি শীৰ্ষ দলীয় নেতাসকল উপস্থিত থাকে।

০০০০০

প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত অৰ্থাৎ পৰহিলৈ ৰাজ্যৰ ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ডিব্ৰুগড়, যোৰহাট, লখিমপুৰ, শোণিতপুৰ আৰু কাজিৰঙা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ থাকিবলগীয়া ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতিসকলৰ বাবে দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। কাইলৈ প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰলৈ ই ভি এম সহ ৰাওনা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত দেশৰ ১৭খন ৰাজ্য আৰু ৪খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২ টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহৰ ভিতৰত আছে তামিলনাডুৰ ৩৯টা, ৰাজস্থানৰ ১২টা, উত্তৰপ্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ৬টা, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ ৫টাকৈ, বিহাৰৰ ৪টা, পশ্চিমবংগৰ ৩টা, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ সমষ্টি।

০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অন্তিম দিনা আজি ৰাজ্যখনৰ নিৰ্বাচন হ'বলগীয়া ৫টা সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠা পৰিলক্ষিত হয়। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ দলৰ নেত্ৰী মমতা বেনাৰ্জীয়ে আজি শিলচৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন গগৈৰ হৈ শিৱসাগৰত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ডিব্ৰুগড় সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে সমষ্টিটোৰ বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলায়।

০০০০০

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। চতুৰ্থ পৰ্যায়ত অন্ধ্ৰপ্ৰদেশৰ ২৫টা আৰু তেলেংগানাৰ ১৭ টা লোকসভা সমষ্টিৰ আটাইকেইটাৰ লগতে উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ঝাৰখণ্ড আৰু উৰিষ্যাৰ ৪টাকৈ আৰু জম্মু আৰু কাশ্মীৰৰ ১টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

সমাপ্ত